নং ঃ ৪৫/২০২১

শোণিতপুৰ জিলা পৰিষদৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

# গ্ৰাম্য অৰ্থনীতি শক্তিশালী হ'লেহে ৰাষ্ট্ৰৰ অৰ্থনীতি শক্তিশালী হ'ব ঃ মুখ্যমন্ত্ৰী

তেজপুৰ জিলা পুথিভৰাল প্ৰেক্ষাগৃহত তেজপুৰৰ বিশিষ্ট নাগৰিক আৰু দল সংগঠনৰ সৈতে মত-বিনিময় কৰাৰ লগতে তিনিখন আঁচনিৰ শিলান্যাস মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তেজপুৰত শোণিতপুৰ জিলা পৰিষদৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰে। অসম ৰাজ্যিক বিত্ত আয়োগৰ ২০১১-১২ বিত্তীয় বৰ্ষৰ প্ৰায় ১.১২ কোটি টকা ব্যয়ৰে এই দুমহলীয়া ভৱনটো নিৰ্মাণ কৰি উলিওৱা হৈছে। এই উপলক্ষে অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই নৱনিৰ্মিত ভৱনটোৱে জিলা পৰিষদৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত এক উপযুক্ত কৰ্ম পৰিৱেশৰ সূচনা কৰিব। জিলা পৰিষদৰ কাম-কাজসমূহত সুপ্ৰশাসন প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে উন্নয়ন আৰু সুপ্ৰশাসনে হাতে হাত ধৰি আগবাঢ়িলেহে ব্যৱস্থাৈ আকাংক্ষিত পৰিৱৰ্তন আহিব, সমাজে বিচৰা ধৰণে ন্যায় লাভ কৰিব। জিলা পৰিষদৰ এই নৱনিৰ্মিত ভৱনটিয়ে ঐতিহ্যমণ্ডিত তেজপুৰ চহৰৰ গৌৰৱ বৃদ্ধিত কিঞ্চিত হ'লেও বৰঙনি যোগাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গ্ৰামাঞ্চলৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰা পঞ্চায়তীৰাজ ব্যৱস্থাটোক এই ভৱনৰ মজিয়াৰ পৰা সঠিকভাৱে পৰিচালিত কৰাটো সুনিশ্চিত কৰিব লাগিব। পঞ্চদশ বিত্ত আয়োগৰ পুঁজি আবণ্টনৰ পৰিৱৰ্তিত নিয়মে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ আটাইকেইটা স্তৰৰ প্ৰতিনিধিসকলে অধিক দায়বদ্ধতাৰে ৰাইজৰ কাম কৰাৰ সুযোগ কঢ়িয়াই আনিছে বুলি উল্লেখ তেওঁ কয় যে গ্ৰাম্য অৰ্থনীতি শক্তিশালী হ'লেহে ৰাষ্ট্ৰৰ অৰ্থনীতি শক্তিশালী হ'ব। গ্ৰামাঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে হাতত লোৱা আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত গঞা ৰাইজক আস্থা আৰু বিশ্বাসত লৈ আগবাঢ়িব লাগিব। গণতন্ত্ৰৰ আটাইকেইটা স্তম্ভই সঠিকভাৱে কাম কৰিলেহে গণতান্ত্ৰিক ব্যৱস্থাটো সফল হয় আৰু ইয়াৰ সোৱাদ দেশৰ নাগৰিকসকলে লাভ কৰিবলৈ সক্ষম হয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গ্ৰামাঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিগত দিনসমূহত হাতত লোৱা বিভিন্ন আঁচনিৰ বিষয়ে উল্লেখ কৰে। গ্ৰামাঞ্চলৰ বাট-পথৰ অৱস্থা সূচলতৰ নোহোৱাৰ বাবে এসময়ত কৃষক ৰাইজৰ উৎপাদিত সামগ্ৰীয়ে উপযুক্ত বজাৰ লাভ কৰা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

কয় যে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত ৰাজ্যৰ যাতায়াত-যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে হাতত লোৱা পদক্ষেপৰ ফলত এতিয়া এই অৱস্থালৈ আমূল পৰিৱৰ্তন আহিছে। চৰকাৰৰ প্ৰতিখন আঁচনিৰে সুফল সমাজৰ প্ৰতিগৰাকী লোকেই যাতে লাভ কৰে, সেই ক্ষেত্ৰত পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

এই অনুষ্ঠানত সাংসদ পল্লৱ লোচন দাস, বিধায়সকল ক্ৰমে বৃন্দাবন গোস্বামী, পদ্ম হাজৰিকা, আৰু গনেশ লিম্বু, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিন, শোণিতপুৰ জিলাৰ উপায়ুক্ত মানৱেন্দ্ৰ প্ৰতাপ সিং আৰু শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্যকে ধৰি পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ নিৰ্বাচিত প্ৰতিনিধিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে তেজপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত তেজপুৰৰ বিশিষ্ট নাগৰিক আৰু দল-সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে তিনিখন সুকীয়া আঁচনিৰো শিলান্যাস কৰে। এই আঁচনিকেইখন হৈছে নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ৩৯৭ লাখ টকা ব্যয়ৰে তেজপুৰৰ প'ল' খেলপথাৰৰ আন্তঃগাঁথনি উন্নয়ন, নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত প্ৰায় ৯৫০ লাখ টকা ব্যয়ৰে মহাভৈৰৱ বজাৰৰ পুনৰ নিৰ্মাণ তথা পঞ্চদশ বিত্ত আয়োগৰ অনুদানৰ অধীনত ১৩৮.৫ লাখ টকা ব্যয়ৰে তেজপুৰ পৌৰসভাৰ অতিথিশালাৰ নিৰ্মাণ আৰু উন্নয়ন।

**নীঃবঃ / প্ৰঃকুঃবঃ**
**২১/০১/২০২১**